**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**----------------------**

১। গুৱাহাটীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ অন্তঃবিভাগ চলিত বছৰৰ মাজভাগত কাৰ্যক্ষম হৈ উঠিব বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাৰ মন্তব্য।

২। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰথমগৰাকী ঘোষিকা, বৰ্ষীয়ান অভিনেত্ৰী জ্ঞানদা কাকতিৰ যোৱানিশা শ্বিলঙত দেহাৱসান।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান দুদিনীয়া অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত।

৪। ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন।

**আৰু**

৫। আমেৰিকাৰ দা নিউয়ৰ্ক টাইমছ সংবাদপত্ৰই প্ৰকাশ কৰা ৫২টা পৰ্যটনস্থলীৰ ভিতৰত অসমক চতুৰ্থ স্থান।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই চাংসাৰিৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান চমুকৈ এইমছৰ কাম-কাজ সুচাৰুৰূপে আগবাঢ়িছে বুলি প্ৰকাশ কৰিছে আৰু এই বছৰৰ মাজভাগত চিকিৎসালয়খনৰ অন্তঃবিভাগো কাৰ্যক্ষম হৈ উঠিব বুলি প্ৰকাশ কৰিছে। কালি সন্ধিয়া প্ৰতিষ্ঠানখন পৰিদৰ্শন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে এইমছৰ শিক্ষক আৰু শৈক্ষিক কৰ্মচাৰীৰ সংখ্যা পৰ্যাপ্ত কৰা হ'ব আৰু আন সা-সুবিধাসমূহো অচিৰেই সম্পূৰ্ণ কৰি তোলা হ'ব। চাংসাৰি এইমছৰ কাম-কাজত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে।

**বাইট (নাড্ডা)**

ইয়াৰ আগতে তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে এইমছৰ সঞ্চালক, অধ্যাপক আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে প্ৰতিষ্ঠানখনৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

০০০০০০

প্ৰবীণ বৰ্ষীয়ান অভিনেত্ৰী, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰথমগৰাকী ঘোষিকা জ্ঞানদা কাকতিৰ যোৱানিশা শ্বিলঙত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৪ বছৰ। শ্বিলঙৰ বাসিন্দা জ্ঞানদা কাকতি দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। ১৯৪৮ চনত **পাৰঘাট** ছবিৰে অসমীয়া চলচ্চিত্ৰ জগতত অভিনয় জীৱন আৰম্ভ কৰা জ্ঞানদা কাকতিয়ে অসমীয়াৰ লগতে বঙালী ছবিতো অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা উল্লেখযোগ্য

ছবিসমূহৰ ভিতৰত পিয়লি ফুকন, পূৰেৰুণ, সৰাপাত, লখিমী, ৰঙা পুলিচ, চাকনৈয়া, পুৱতি নিশাৰ সপোন, ওপৰ মহলা, শেষ বিচাৰ, প্ৰিয়জন, ৰাগ-বিৰাগ আদি অন্যতম। ১৯৯৬ চনত মুক্তিপ্ৰাপ্ত **ৰাগবিৰাগ** তেওঁ অভিনয় কৰা অন্তিমখন ছবি আছিল। জ্ঞানদা কাকতিয়ে প্ৰভাত মুখাৰ্জীৰ দ্বাৰা নিৰ্মিত **পূৰেৰুণ** ছবিৰ বাবে বাৰ্লিন চলচ্চিত্ৰ মহোৎৰসত দেশক প্ৰতিনিধিত্ব কৰিছিল।

**(গান -)**

২০০২ চনত শিল্পীগৰাকীয়ে কলাগুৰু বিষ্ণুৰাভা বঁটা লাভ কৰিছিল। অনাতাঁৰ কেন্দ্ৰৰ গায়িকা ৰূপে প্ৰতিষ্ঠা লাভ কৰা জ্ঞানদা কাকতিয়ে দুখনমান গ্ৰামোফোন ৰেকৰ্ডতো কণ্ঠদান কৰিছিল।

বহুমুখী প্ৰতিভাসম্পন্ন এইগৰাকী শিল্পী আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জন্মলগ্নৰে পৰাই কেন্দ্ৰটোৰ সৈতে জড়িত আছিল। জ্ঞানদা কাকতিয়ে ১৯৪৮ চনৰ পহিলা জুলাইত তেতিয়াৰ আকাশবাণী শ্বিলং গুৱাহাটী কেন্দ্ৰৰ শ্বিলং ষ্টুডিঅ'ৰ পৰা অসমীয়াত প্ৰথম ঘোষণা কৰিছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰিত জীৱনৰ দীঘবাণী অনুষ্ঠানত তেওঁৰ কণ্ঠ এইদৰে সংৰক্ষিত হৈ আছে-

**বাইট (জ্ঞানদা কাকতি)**

০০০০০০

প্ৰখ্যাত সাহিত্যিক তথা সাংবাদিক প্ৰীতিশ নন্দীৰ কালি মুম্বাইৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। হৃদ ৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হোৱা বুলি পৰিয়ালৰ সূত্ৰই জানিবলৈ দিছে। পদ্মশ্ৰী সন্মানেৰে সন্মানিত নন্দী একেধাৰে সাহিত্যিক, চলচ্চিত্ৰ প্ৰযোজক আৰু সাংবাদিক হিচাপে পৰিচিত আছিল। তেওঁ প্ৰযোজনা কৰা ছবিসমূহৰ ভিতৰত ছুৰ, কাঁটে, ছামেলি, প্যাৰ কে ছাইড এফেক্টছ্ আদি অন্যতম। তেওঁ নিৰ্মাণ কৰা হাজাৰো খোৱাইছে এইছী ছবিখন দেশ-বিদেশত সমাদৃত হৈছিল। শেহতীয়াকৈ তেওঁ ফ'ৰ ম'ৰ শ্বটছ্ প্লীজ শীৰ্ষক ৱেব ছিৰিজখন নিৰ্মাণ কৰি উলিয়াইছিল। প্ৰয়াত নন্দী অধুনালুপ্ত নামৰ বিখ্যাত আলোচনী দ্য ইলাষ্ট্ৰেটেড উইকলী অব ইণ্ডিয়াৰ দীৰ্ঘদিন ধৰি সম্পাদকৰ দায়িত্বত আছিল। তেওঁ ৰাজ্যসভাৰ সাংসদ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰযোজকগৰাকীৰ মৃত্যুত সংবাদ তথা চলচ্চিত্ৰ জগতৰ সৈতে জড়িত লোকসকলৰ লগতে তেওঁৰ গুণমুগ্ধসকলৰ মাজত শোকৰ ছাঁ পৰিছে।

০০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে দেশৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক, শিক্ষক আৰু শৈক্ষিক কৰ্মচাৰীৰ পদোন্নতিৰ নতুন নিয়মাৱলীৰ খচৰা প্ৰকাশ কৰিছে। এই নিয়মাৱলী অনুসৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক পদৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণকাৰী পৰীক্ষা - নেট বাধ্যতামূলক নহ'ব। বৰ্তমান মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপকৰ বাবে নেট বাধ্যতামূলক হৈ আছে। নেট অবিহনে সহকাৰী অধ্যাপক পদত নিযুক্তি লাভ কৰিবলৈ সকলো শাখাৰ ক্ষেত্ৰত স্নাতকোত্তৰ পৰীক্ষাত কমেও ৫৫ শতাংশ নম্বৰ লাভ কৰিব লাগিব আৰু পি এইছ্ ডিও আৱশ্যক হ'ব। ইয়াৰ উপৰি স্নাতক পৰীক্ষাত কমেও ৭৫ শতাংশ নম্বৰ লাভ কৰিব লাগিব। অৱশ্যে ৫৫ শতাংশ নম্বৰ লাভ কৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰ নেট থাকিলেও কোনো অসুবিধা নহ'ব। নতুন নিৰ্দেশনা অনুসৰি শৈক্ষিক প্ৰতিষ্ঠানৰ উপাচাৰ্য বাছনি প্ৰক্ৰিয়া সন্দৰ্ভত সৰ্বভাৰতীয় পৰ্যায়ৰ বাতৰি কাকতত বিজ্ঞাপন আৰু অধিসূচনা জাৰি কৰিব লাগিব।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনাক লৈ অনিশ্চয়তাৰ অব্যাহত আছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৭ ডিচেম্বৰত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰিত দিয়া স্থগিতাদেশ সলনি কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু ৰাজ্যিক নিৰ্বাচন আয়োগে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ বিচাৰপীঠে ১০ জানুৱাৰী বিষয়টোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। সেইদিনাই পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰিৰ অনুমতি দিয়া-নিদিয়াৰ বিষয়ত আদালতে মতামত দিয়াৰ সম্ভাৱনা আছে।

oooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান  দুদিনীয়া অসম আৰু মেঘালয় ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত ৰাজ্যৰ কৃষিমন্ত্ৰী, গ্ৰামোন্নয়ন মন্ত্ৰী আৰু বিভাগীয় বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ৰাজ্যত চলি থকা কৃষি আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনিৰ অগ্ৰগতি সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। কেন্দ্ৰীয় কৃষিমন্ত্ৰীগৰাকীয়ে আজি গুৱাহাটীত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৫০ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত অংশ ল'ব। তেওঁ লগতে ধৰিত্ৰী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩২ কোটি ৬৪ লাখ টকাৰ কৃষি যন্ত্ৰপাতিৰ বিতৰণ অনুষ্ঠানতো ভাগ ল'ব। অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ২০গৰাকী মিলিয়নিয়াৰ বাইদেউক সম্বৰ্দ্ধনা জনোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানত উপস্থিত থাকিব। নপাছত মন্ত্ৰী শ্ৰীচৌহানে মেঘালয়ৰ উমিয়ামত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ আঞ্চলিক কেন্দ্ৰৰ সোণালী জয়ন্তী সমাৰোহত ভাগ ল'ব। এই সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুও উপস্থিত থকাৰ কথা।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে বহুকেইটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অসম কাকতে মৃত্যুগহ্বৰত উদ্ধাৰ অভিযান অব্যাহত শিৰোনামেৰে উমৰাংছ'ৰ কয়লাখনিত এজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰৰ বাতৰিটো মুখ্য বাতৰি হিচাপে স্থান দিছে। বিশ্ব পৰ্যটনৰ মানচিত্ৰত অসম -এই শিৰোনামেৰে আমাৰ অসম কাকতে আমেৰিকাৰ বিখ্যাত দ্য নিউয়ৰ্ক টাইমছ সংবাদপত্ৰই বিশ্বৰ ৫২টা পৰ্যটনস্থলীৰ ভিতৰত অসমক ৪ নম্বৰত স্থান দিয়া বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ পাইছে।

অসমীয়া প্ৰতিদিন কাকতে চুবুৰীয়া ৰাজ্যত অসহায় এনকাউণ্টাৰত সিদ্ধহস্ত খাকী পোছাকধাৰী শিৰোনামেৰে অভিযান চলাবলৈ যোৱা যোৰহাট আৰক্ষীৰ ১৬জনীয়া দলক ওৰে নিশা আবদ্ধ কৰি নগাই মাৰপিট কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২৮ জিলাত ৬৭২ কোটি অভিলাষী প্ৰকল্পৰ একত্ৰ আধাৰশিলা স্থাপন কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ শিৰোনামেৰে অসমীয়া খবৰ কাকতে আগন্তুক ছমাহত নিৰ্মাণ হ'বলগীয়া দৰং মেডিকেল কলেজ, তেজপুৰ বাইহাটা ফ'ৰলেনৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।  একেটা বাতৰি দি আছাম ট্ৰিবিউন কাকতে নাড্ডা ৰিভিউজ প্ৰগ্ৰেছ অব হেল্‌থকেয়াৰ ইন আছাম শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে পদ্মলোচন খনিকৰলৈ কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী সাংবাদিক বঁটা শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিশ্বৰ ১০ শীৰ্ষ কথিত ভাষাৰ মাজত হিন্দী বাংলা শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে দৈনন্দিন কাম-কাজ তথা কথা-বতৰাত ৬৬.২ কোটি লোকে হিন্দী ভাষা

ব্যৱহাৰ কৰে লগতে বিশ্বৰ সৰ্বাধিক ১০টা কথিত ভাষাৰ তালিকাত বাংলায়ো স্থান লাভ কৰা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে হাইক'ৰ্টে দিয়া সেউজ সংকেত, পঞ্চায়তৰ ভোটক লৈ অনিশ্চয়তা অব্যাহত শিৰোনামেৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাক লৈ সৃষ্টি হোৱা আইনী জটিলতা এতিয়াও আঁতৰি নোযোৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ স্থান দিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি অধিৱেশনৰ মূল তোৰণ আৰু সাহিত্য অকাডেমী বঁটাপ্ৰাপক ড০ ৰীতা বড়োৱে **খেংখ্ৰাই** শীৰ্ষক শুভংকৰ উন্মোচন কৰিব। অধিৱেশনৰ সৈতে সংগতি ৰাখি গঢ়ি তোলা বড়ো লিটাৰেৰী পায়'নিয়াৰ পাৰ্কখন সাহিত্য অকাডেমী বঁটাপ্ৰাপক নবীন মল্ল বড়োৱে উদ্বোধন কৰিব। কাইলৈ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত অনুষ্ঠিত হ'বলগীয়া আলোচনা চক্ৰখনত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে' সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কাইলৈ **ডিমাকুছি** শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰিব। ইয়াৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে বিশেষ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলি সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে কবি সন্মিলনৰ উদ্বোধন কৰিব।

০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলক উদ্ধাৰৰ বাবে প্ৰতিকূল বতৰকো নেওচি অভিযান অব্যাহত আছে। ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী দলে আজি অত্যাধুনিক সৰঞ্জামেৰে উমৰাংছ'ৰ কয়লা খনিটোৰ পৰা পানী নিষ্কাষণৰ চেষ্টা চলাব। নৌসেনাই আবদ্ধ শ্ৰমিক কেইজনৰ সম্ভেদ উলিয়াবৰ বাবে পানীৰ তলত চলাচল কৰা দূৰ সংবেদী ব্যৱস্থাচালিত অত্যাধুনিক বিশেষ বাহন ব্যৱহাৰ কৰিছে। উদ্ধাৰকাৰী দলসমূহে অভিযানৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি নিশাৰ ভাগতো উদ্ধাৰকাৰ্য অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে। উদ্ধাৰ অভিযানত কালি খনিৰ ভিতৰত এজন শ্ৰমিকৰ মৃতদেহ আজি উদ্ধাৰ কৰা হৈছে। মৃত শ্ৰমিকজন নেপালৰ উদয়পুৰ জিলাৰ গংগা বাহাদুৰ শ্ৰেষ্ঠ বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

অসম বিশ্বৰ পৰ্যটন মানচিত্ৰত জিলিকি উঠিছে। আমেৰিকাৰ দ্য নিউয়ৰ্ক টাইমছ সংবাদপত্ৰই প্ৰকাশ কৰা বিশ্বৰ ৫২টা পৰ্যটনস্থলীৰ ভিতৰত অসমক চতুৰ্থ নম্বৰত স্থান দিছে। বিশ্বৰ আগশাৰীৰ সংবাদপত্ৰখনে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু অসমৰ চাহ বাগিছাসমূহ ভ্ৰমণ কৰাৰ পৰামৰ্শ দিছে। যোৱা বছৰ আহোম বংশৰ প্ৰাচীন সমাধিস্থল চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে ঘোষণা কৰাৰ পাছতে নিউয়ৰ্ক টাইমছৰ এই তালিকাত অসমৰ নাম অন্তৰ্ভুক্ত হৈছে। কাকতখনে ৰাজ্যৰ সুকীয়া

সংস্কৃতি আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ কথাও উল্লেখ কৰিছে। ৫২খন পৰ্যটন ক্ষেত্ৰৰ এই তালিকাত ইংলেণ্ডৰ জেন আষ্টিন প্ৰথম স্থানত আছে।

০০০০০০

ভাৰতীয় কৃত্ৰিম অংগ উৎপাদন নিগমৰ উদ্যোগত চৰাইদেউ জিলাৰ সোণাৰীত কালি দিব্যাংগ হিতাধিকাৰীসকলৰ মাজত বিভিন্ন সহায়ক সঁজুলি বিতৰণ কৰা হয়। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ অন্তৰ্গত দিব্যাংগসকলৰ সবলীকৰণ বিভাগৰ অধীনত ৰূপায়িত এ ডি আই পি আঁচনিৰ অধীনত আয়োজিত অনুষ্ঠানত সমষ্টিটোৰ বিধায়ৰ ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে। হিতাধিকাৰীসকলক হুইল চেয়াৰ, মটৰাইজড ট্ৰাই চাইকেল, শ্ৰৱণ সঁজুলি, সুগম কেইন বিতৰণ কৰা অনুষ্ঠানত জিলা আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীও উপস্থিত থাকে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰৰ ঠায়ে ঠায়ে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যক কুঁৱলীয়ে আৱৰি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ১৯ দশমিক ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ দশমিক ৭ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত